সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৩৫ সংখ্যা, ১৯ ভাদ, ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 35 * Date Of Publication - 5 September 2021 Rs.5.00/-


## চৰকাৰী চাকৰিত থাকিব খেলুৱৈৰ বিশেষ সংৰক্ষণঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা

বাৰ্ত্তাসেৱা- শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ চৌহদত ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত ১৯৬৬ চনৰ বেংকক এছিয়ান গেমছত ৮০০ মিটাৰ দৌৰত স্বৰ্ণ জয়েৰে প্ৰথমগৰাকী অসমীয়া হিচাপে আন্তঃৰাষ্ট্ৰীয় স্তৰৰ ক্ৰীড়াংগনত অসমক এক নতুন পৰিচিতি প্ৰদান কৰা অৰ্জুন বঁটা বিজয়ী দৌৰবিদ ভোগেশ্বৰ বৰুৱাৰ ৮৫ সংখ্যক ওপজা দিনৰ লগত সংগতি ৰাখি আয়োজিত ২০২১-২২ বৰ্ষৰ ক্ৰীড়া পেঞ্চন প্ৰদান অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। এই অনুষ্ঠানত ৰাজ্যপাল প্ৰফেছৰ জগদীশ মুখীও উপস্থিত থাকে। অনুষ্ঠানত চ০২১-২২ বৰ্ষৰ বাবে নিয়মীয়া ক্ৰীড়া পেঞ্চন আৰু বিভিন্ন আগশাৰীৰ প্ৰতিযোগিতাত পদক জয়ী ক্ৰীড়াবিদলৈ আগবঢ়োৱা বিশেষ ক্ৰীড়া পেঞ্চনসমূহ মুঠ ৯৯ গৰাকী ক্ৰীড়াবিদলৈ মাহে ১০ হেজাৰ টকাকৈ ক্ৰীড়া পেঞ্চন আগবঢ়োৱা হয়। আনহাতে অলিম্পিক, এছিয়ান গেমছ, কমনৱেলথ গেমছ আৰু ৰাষ্ট্ৰীয় ক্ৰীড়াত ৰাজ্যখনৰ হৈ পদক অৰ্জন কৰা ১৫৩ গৰাকী ক্ৰীড়াবিদক ৫০ হেজাৰ টকাকৈ এককালীন আৰ্থিক অনুদান আগবঢ়াই সন্মানিত কৰা হয়। ১৩ গৰাকী ক্ৰীড়াবিদক আনুষ্ঠানিকভাৱে পেঞ্চনৰ অনুমোদনপত্ৰ প্ৰদানেৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু অৰ্জুন ভোগেশ্বৰ বৰুৱাই। ৰাজ্য চৰকাৰৰ ক্ৰীড়ানীতি অনুসৰি ধনুৰ্বিদ সঞ্জয় বড়ো আৰু বক্সাৰ যমুনা বড়োক আবকাৰী পৰিদৰ্শক পদত নিযুক্তিৰ বাবে আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণ দি কয়



যে ১৯৬৬ চনত অৰ্জুন ভোগেশ্বৰ বৰুৱাই প্ৰথমগৰাকী অসমীয়া হিচাপে এছিয়াডত স্বৰ্ণ জয়ৰ খবৰটো বাতৰি কাকতৰ এচুকত এটা সৰু বাতৰি হিচাপে প্ৰকাশ পাইছিল। দীৰ্ঘদিনলৈকে মানুহে তেওঁৰ বিষয়ে জানিবই পৰা নাছিল। কিন্তু আজি সেই পৰিৱেশৰ আমূল পৰিৱৰ্তন হৈছে। অৰ্জুন ভোগেশ্বৰ বৰুৱাক তেওঁৰ ৮৫ সংখ্যক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সেই সময়ৰ সীমিত সা-সুবিধাৰ মাজত বিৰল কৃতিত্ব অৰ্জন কৰি ৰাজ্যখনৰ নাম উজলোৱা এইগৰাকী মহান ক্ৰীড়াবিদৰ জীৱন আৰু সাফল্যই নতুন প্ৰজন্মৰ খেলুৱৈসকলক সদায়ে অনুপ্ৰাণিত কৰি যাব। লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় ৰাজ্যৰ নতুন প্ৰজন্মৰ মাজত ক্ৰীড়াৰ বাবে এক অনুকূল পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ সংশোধিত ক্ৰীড়ানীতিৰ অধীনত খেলুৱৈসকলৰ বাবে চৰকাৰী চাকৰিত এটা নিৰ্দিষ্ট শতাংশ সংৰক্ষণৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

## ভাৰতত পুনৰ কৰ'নাত ৪৫ হোজাৰ লোক আক্ৰান্ত



বাৰ্ত্তাসেৱা- ভাৰতত এদিনতে কৰ'নাত সংক্ৰমিত হৈ চিকিৎসাধীন ৰোগীৰ সংখ্যা ১০ হেজাৰলৈ বৃদ্ধি। দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হৈছে ৪৫,৬২৪ জন লোক। ভাৰতত এতিয়ালৈ ৩.২৯ কোটি লোক কৰ'নাত সংক্ৰমিত হৈছে। ৩৪, ৬৬৫ জন লোক সংক্ৰমণৰ পৰা সুস্থ হৈ উঠিছে। দেশত এতিয়ালৈ ৩.২০ কোটি লোক সংক্ৰমণৰ পৰা সুস্থ হৈ উঠিছে। কৰ'নাত আক্ৰান্ত হৈ ভাৰতত এতিয়ালৈ ৪.৩৯ লাখ লোকৰ মৃত্যু হৈছে।

## দিল্লীত স্বাক্ষৰিত হ'ল কাৰ্বি পাহাৰৰ চাৰি বিদ্ৰোহী সংগঠনৰ সৈতে 'কাৰ্বি শান্তি চুক্তি'

উৎপল কলিতা, বাৰ্ত্তাসেৱা- গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতি কাৰ্বি শান্তি চুক্তিত স্বাক্ষৰ কৰিলে বিদ্ৰোহী সংগঠন কেইটাই। এই চুক্তি স্বাক্ষৰিত অনুষ্ঠানত উপস্থিত আছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী তুলিৰাম ৰংহাং। চুক্তি স্বাক্ষৰিত কৰা বিদ্ৰোহী সংগঠন কেইটা ক্ৰমে কে পি এল টিৰ তিনিটা গোট, ইউ জি এল এ, কে এল এন এফ আৰু পি ডি চি কে। এই চুক্তি অনুসৰি বিদ্ৰোহী সংগঠন কেইটাই তেওঁলোকৰ হাতত থকা অস্ত্ৰসমূহ চৰকাৰক জমা দিব। মুখ্যমন্ত্ৰীয়ে এই চুক্তিক ঐতিহাসিক আখ্যা দিলে। এই চুক্তি অনুসৰি সংগঠন কেইটাই মূল সুঁতিলৈ ঘূৰি আহিব। কাৰ্বি চুক্তি অনুসৰি কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ সদস্যৰ সংখ্যা ৫০ লৈ বৃদ্ধি কৰা হ'ব। ইয়াৰে ৬ জনক ৰাজ্য পালে মনোনিত কৰিব আৰু ৪৪ জনক নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচিত হ'ব। ১০ খন আসন সকলোৰে বাবে মুকলি থাকিব আৰু ৩৪ খন আসন এছ টি ৰ বাবে সংৰক্ষিত হ'ব। পূৰ্বে পাহাৰীয়া স্বায়ত্বশাসিত পৰিষদ সমূহৰ বাবে আসনসমূহ সংৰক্ষিত নাছিল। কাৰ্বি চুক্তি অনুসৰি এছ চি সকলৰ বাবে আসন সংৰক্ষিত হোৱাৰ ফলত ই ঐতিহাসিক হিচাপে পৰিগণিত হ'ব। কাৰ্বি আংলং জিলাৰ বিকাশৰ বাবে ১০০০ কোটি টকাৰ অৰ্থনৈতিক পেকেজ ঘোষণা। ৫০০ কোটিৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে আৰু ৫০০ কোটিৰ দায়িত্ব ৰাজ্য চৰকাৰে বহন কৰিব। ৫ বছৰত প্ৰতিবছৰ ২০০ কোটি কৈ প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত এইখন তৃতীয়খন শান্তি চুক্তি। এই শান্তি চুক্তি সমূহে অসমত বিকাশ আৰু প্ৰগতিৰ নতুন ধাৰা সৃষ্টি কৰিব। এই মন্তব্য প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আনহাতে কুকি বিদ্ৰোহী সংগঠনেও শান্তি প্ৰক্ৰিয়াৰ বাবে সাজু হৈছে। সংগঠনটোৰ সদস্যসকলে আত্মসমৰ্পন কৰিছে। আলফাৰ সৈতেও শান্তি চুক্তিৰ বাবে প্ৰচেষ্টা চলি আছে বুলিও উল্লেখ মুখ্যমন্ত্ৰীৰ।পৰেশ বৰুৱাৰ লগত অনানুষ্ঠানিক সম্পৰ্ক বজাই ৰখা হৈছে।

# ৰাজ্যিক উদ্ভাৱনা আৰু ৰূপান্তৰ আয়োগৰ উপাধ্যক্ষ ৰমেন ডেকা

বাৰ্ত্তাসেৱা- ৰাজ্যিক উদ্ভাৱনা আৰু ৰূপান্তৰ আয়োগ (SITA) ৰ উপাধ্যক্ষ দীপক কুমাৰ বৰঠাকুৰে স্বাস্থ্যজনিত কাৰণত দায়িত্বৰ পৰা আঁতৰি থাকিব লগা হোৱাত তেখেতে পুনৰ যোগদান নকৰালৈকে তেখেতৰ স্থানত আয়োগৰ উপাধ্যক্ষৰ দায়িত্ব ৰাজ্যপালৰ আদেশ পিডিএছ ৬৮/২০২১/২ তাৰিখ দিশপুৰ, ২ ছেপ্তেম্বৰ, ২০২১ অনুসৰি সহ-উপাধ্যক্ষ ৰমেন ডেকাক অৰ্পণ কৰা হৈছে। অস্থায়ীভাৱে উপাধ্যক্ষৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ বাবে ৰমেন ডেকাক আয়োগৰ মুখ্য কাৰ্য্যবাহী বিষয়া শ্ৰী মোকেশ চাহু, ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া আৰু অন্যান্য শুভাকাংক্ষীকে ধৰি বিভিন্নজনে জনতা ভৱনৰ ডি ব্লকত থকা তেখেতৰ কাৰ্য্যালয়ত আজি শুভেচ্ছা জনায়।

# জামুগুৰি সাপ্তাহিক বজাৰ মুকলিৰ আগমুহূৰ্তত লেছিৰ দ্বাৰা বজাৰ পৰিষ্কাৰ

মৃগাংক বৰুৱা, গোলাঘাট, বাৰ্ত্তাসেৱা- কভিড বিধি পালন কৰি যোৱা চাৰি মাহে বন্ধহৈ থকা জামুগুৰি সাপ্তাহিক বজাৰ কালিলৈ খুলিবলৈ লৈছে। বজাৰ খোলাৰ আগমুহূৰ্তত আজি বজাৰৰ লেছিয়ে বজাৰখন পৰিষ্কাৰ কৰে। যোৱা চাৰিমাহে বন্ধহৈ থকা সাপ্তাহিক বজাৰ খুলিবলৈ লোৱাত জামুগুৰিৰ দাঁতিকাষৰীয়া বৃহত্তৰ অঞ্চলৰ কৃষক সকল আনন্দিত হোৱা দেখা গৈছে। কভিডৰ এই দু:সময় চোৱাত কৃষক সকলৰ উৎপাদিত ফচলসমূহ বিক্ৰী কৰিব নোৱাৰি এক বৃহৎ লোকচানৰ সন্মুখীন হৈ আহিছিল। উল্লেখযোগ্য যে জামুগুৰি সাপ্তাহিক বজাৰখনলৈ বাৰিষা, খৰালি বিভিন্ন সময়ত বৰ্হিৰাজ্যৰ পৰাও বেপাৰী আহে। যদিও কভিড পৰিস্থিতি অকণমান উন্নত হৈছে, তথাপিও স্থানীয় ৰাইজ আৰু দূৰ-দূৰণিৰ পৰা অহা বেপাৰী সকল সাৱধান নহয়, তেনেহলে পুনৰ পৰিস্থিতি বেয়া হবলৈ বেছি সময়ৰ প্ৰয়োজন নহব।

# ৱাকো ইণ্ডিয়া ৰাষ্ট্ৰীয় ছিনিয়ৰ কিক বক্সিং প্ৰতিযোগিতাত অসমৰ সাফল্য

বাৰ্ত্তাসেৱা- গোৱাত ২৭-২৯ আগষ্টলৈ অনুষ্ঠিত হোৱা ৱাকো ইণ্ডিয়া ৰাষ্ট্ৰীয় ছিনিয়ৰ কিক বক্সিংত অসমৰ দলে ১২ টা পদক লাভ কৰে। প্ৰতিযোগিতাখনত অসমপ দলটোৱে ৪ টা সোণ, ৫ টা ৰূপ, ৩ টা ব্ৰঞ্জ পদক অৰ্জন কৰে। অসমৰ হৈ মিন্টু কলিতা, অভিজিত ৰামচিয়াৰী, পুজা কুমাৰী গগৈ, লক্ষীমাই গগৈয়ে সোণৰ পদক অৰ্জন কৰাৰ লগতে ৰুদ্ৰা চোধুৰী, ৰঞ্জিত বৰুৱা, কমলা শৰ্মা, নিলাক্ষী শইকীয়া, কৰীণা পাটোৱাৰীয়ে ৰূপৰ পদক আৰু ৰাজশ্ৰী দেৱ, সবিতা চেতীয়া, আৰছাদ আলীয়ে ব্ৰঞ্জ ৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। দেশৰ ৩১খন ৰাজ্যই অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত অসমে উত্তৰ-পূৰ্বঞ্চলৰ শ্ৰেষ্ঠ ৰাজ্যৰ সন্মান লাভ কৰে। খেলুৱৈসকলে থাইলেণ্ডত অনুষ্ঠিত হ'বলগীয়া এছিয়ান ইনড'ৰ গেমছলৈ যোগ্যতা অৰ্জন কৰে। অসমৰ হৈ ৱাকো ইণ্ডিয়া অসমৰ সভাপতি হিৰণ্য বৰুৱাই উত্তৰ-পূৰ্বাঞ্চলৰ শ্ৰেষ্ঠ কিক বক্সিঙ দলৰ বঁটা গ্ৰহণ কৰে।

# জনজাতীয় ছাত্ৰ সন্থা (আটছুৰ) উদ্যোগত অসমৰ জনজাতীয় লোকৰ মাটি ভেটি চিৰস্থায়ী ভাৱে সুৰক্ষিত কৰিবলৈ অহ্বান

অমৰজিৎ ৰাভা, ওদালগুৰি, বাৰ্ত্তাসেৱা- সদৌ অসম জনজাতীয় ছাত্ৰ সন্থা চমুকৈ আটছু ২০১৫ চনত জন্ম গ্ৰহণ কৰা জনজাতীয় সংগঠনটোৱে বিভিন্ন সময়ত জনজাতীয় সমস্যা, তথা জনজাতীক কৰা নিৰ্যাতনৰ বিপক্ষে মাত মাতি আহিছে। শেহতীয়াভাৱে কোকৰাঝাৰ আৰু ঢেঁকীয়াজুলিৰ লগতে নন্দীতা শইকীয়াৰ বৰ্বৰ কাণ্ডক লৈয়ো তীব্ৰ বিৰুধীতা কৰি ফাৰ্ষ্টট্ৰেক আদালতৰ দাবী জনাই আহিছে। থিক একেদৰে নতুনকৈ গঠন কৰিব লগিয়া ৫০ শতাংশ জনজাতী অধ্যক্ষিত অঞ্চল ট্ৰাইবেল বেল্ট এণ্ড ব্লক, আনহাতে ৫০ শতাংশতকৈ কম জনজাতীয় অঞ্চলবোৰক ট্ৰাইবেল বেল্ট এণ্ড ব্লক নস্যাৎ কৰা সিদ্ধান্তক অসম জনজাতীয় ছাত্ৰ সন্থাই তীব্ৰ বিৰুধীতা কৰিছে। আৰু সেয়েহে জনজাতীয় লোকক কৰা ষড়যন্ত্ৰ আৰু নিৰ্যাতন বন্ধ কৰিবলৈ আৰু জানতীয় লোকক সংবিধানে দিয়া অধিকাৰ আৰু প্ৰাপ্যৰ পৰা বঞ্চিত নকৰি জনজাতীয় অধিকাৰ সমূহ সাব্যস্ত কৰাৰ দাবীত জনজাতীয় ছাত্ৰ সন্থাই ১৪ দফীয়া দাবীৰে ওদালগুৰি জিলাৰ লগতে অসম জনজাতি ছাত্ৰ সন্থা(আটছু) কেন্দ্ৰীয় সমিতিৰ উদ্যোগত অসমৰ কেইবাখনো জিলা, যেনে- কোকোৰাঝাৰ জিলা উপায়ুক্তৰ জৰিয়তে স্মাৰকপত্ৰ প্ৰেৰণ কৰে আটছুৰ সভাপতি হৰিশ্চৰ ব্ৰহ্ম, মাজুলী জিলা উপায়ুক্তৰ জৰিয়তে স্মাৰকপত্ৰ প্ৰেৰণ আটছু উপ-সভাপতি উত্তম নৰহ, গুৱাহাটী কামৰূপ মেট্ৰৰ উপায়ুক্তৰ জৰিয়তে স্মাৰকপত্ৰ প্ৰেৰণ কৰে মুখপাত্ৰ শ্বেখৰ বড়ো আৰু প্ৰচাৰ সম্পাদক গেৰেমচা নাৰ্জাৰী, ওদালগুৰি জিলাৰ ভেৰগাঁৱ মহকুমাৰ মহকুমাধিপতিৰ জৰিয়তে স্মাৰকপত্ৰ প্ৰেৰণ কৰে আটছুৰ উপ-সভাপতি কনক চন্দ্ৰ বড়ো আৰু প্ৰেছ সচিব অমৰজিৎ ৰাভা, ধেমাজী জিলাৰ জোনাই মহকুমাৰ মহকুমাধিপতিৰ জৰিয়তে প্ৰেৰণ কৰে শিক্ষা সম্পাদক চিত্ৰজিৎ পেগু, শিৱসাগৰ জিলাৰ ডিমৌ চক্ৰ বিষয়াৰ জৰিয়তে প্ৰেৰণ কৰে সাংগঠনিক সম্পাদক ৰঞ্জিত টাহু, ধেমাজী জিলাৰ গোগামুখ চক্ৰ বিষয়াৰ জৰিয়তে প্ৰেৰণ কৰে সম্পাদক দেৱকুমাৰ পেগু আৰু ক্ৰিয়া সম্পাদক চশাংক পেগু, বাক্সা জিলাৰ বাচকা চক্ৰ বিষয়াৰ জৰিয়তে স্মাৰকপত্ৰ প্ৰেৰণ কৰে বিত্ত সচিব অনুপ মুচাহাৰী আৰু অমিয় কুমাৰ লাউজাৰি। চিৰাং জিলাৰ উপায়ুক্তৰ জৰিয়তে প্ৰেৰণ কৰে সাংস্কৃতিক সম্পাদক অমৃথ বসুমতাৰীয়ে ।এনেদৰে কেন্দ্ৰীয় সমিতিৰ নেতৃত্বত অসমৰ প্ৰায় ৯ খন জিলা উপায়ুক্ত, মহকুমাধিপতি আৰু চক্ৰ বিষয়াৰ জৰিয়তে মাননিয় ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু মাননিয় অসমৰ মুখ্যমন্ত্ৰী লৈ অসমৰ জনজাতী সকলৰ বিভিন্ন সমস্যা সমূহ সমাধান কৰিবলৈ প্ৰায় ১৪ দফীয়া দাবীৰে স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

# নলবাৰীত চতুৰ্থ ৰাষ্ট্ৰীয় পোষণ মাহৰ শুভ উদ্বোধনী, "মাতৰু বন্দনা সপ্তাহ"ৰো শুভাৰম্ভনি

চাহিল মাল্লিক, নলবাৰী, বাৰ্ত্তাসেৱা- দেশৰ আন আন প্ৰান্তৰ লগতে অসম তথা নলবাৰী জিলাতো আৰম্ভ হৈছে চতুৰ্থ ৰাষ্ট্ৰীয় পোষণ মাহ। শিশু আৰু মহিলাৰ পুষ্টিহীনতাৰ সমস্যা দূৰ কৰাৰ উদ্দেশ্যে ২০১৮ চনৰ আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱসৰ দিনাৰ পৰাই প্ৰথম আৰম্ভ হোৱা প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ "পোষণ অভিযান" শীৰ্ষক অভিলাষী কাৰ্য্যসূচীৰ অধীনত প্ৰত্যেক বছৰে ১ ছেপ্তেম্বৰৰ পৰা ৩০ ছেপ্তেম্বৰলৈ সম্পূৰ্ণ মাহটো ৰাষ্ট্ৰীয় পোষণ মাহ হিচাপে পালন কৰি অহা হৈছে আৰু পূৰ্বৰ দৰে এইটো বৰ্ষতো পোষণ মাহ পালনৰ ব্যস্ততা ইতিমধ্যে নলবাৰী জিলাত আৰম্ভ হৈছে আৰু সেই উপলক্ষে ১ ছেপ্তেম্বৰ তাৰিখে জিলা উপায়ুক্তৰ কাৰ্য্যালয়ৰ সভাকক্ষত জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত সকলো সংশ্লিষ্ট বিভাগৰ বিষয়া কৰ্মচাৰী আৰু অন্যান্য ওতঃপ্ৰোতভাৱে জড়িত সংস্থা, অনুষ্ঠান আদিৰ প্ৰতিনিধিৰ উপস্থিতিত 'চতুৰ্থ ৰাষ্ট্ৰীয় পোষণ মাহ-২০২১'ৰ শুভ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হৈ যায়। একে সময়তে 'মাতৰু বন্দনা সপ্তাহ'ৰো শুভাৰম্ভনি কৰা হয়। বন্তি প্ৰজ্জ্বলনেৰে আনুষ্ঠানিকভাৱে জিলাখনত ৰাষ্ট্ৰীয় পোষণ মাহ-২০২১ৰ শুভাৰম্ভনি কৰি নলবাৰী জিলা উপায়ুক্তা গীতিমণি ফুকনে এই অভিযানৰ উদ্দেশ্য প্ৰকৃতাৰ্থত সাফল্যমণ্ডিত কৰিবলৈ এই অভিযানৰ সৈতে জড়িত তথা ইয়াক কাৰ্যকাৰী কৰাৰ দ্বায়িত্বত থকা সকলো বিভাগৰ বিষয়া কৰ্মচাৰী তথা বিভিন্ন সংস্থা-অনুষ্ঠানৰ বিষয়ববীয়া-কৰ্মকৰ্তাক আত্মসমৰ্পণমূলক তথা নিষ্ঠা ভাৱেৰে নিজৰ কৰণীয়খিনি কৰি যাবলৈ আহ্বান কৰে। অতিৰিক্ত উপায়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যান বিষয়া ছয়নিকা ঠাকুৰীয়াই চমুকৈ এই অভিযানৰ অংশৰূপে আৰম্ভ হোৱা 'পোষণ মাহৰ' উদ্দেশ্যে ব্যাখ্যা কৰে। অনুষ্ঠানৰ শেষৰ ফালে পুষ্টিকৰ খাদ্য সম্ভাৰৰ এখনি প্ৰদৰ্শনীৰো আয়োজন কৰা হয়। উক্ত প্ৰদৰ্শনীমূলক খাদ্যমেলা খনিত শিশু, গৰ্ভৱতী মহিলা, প্ৰসূতী মাতৃৰ পুষ্টিসাধন কৰিব পৰা বিভিন্ন থলুৱা সেউজীয়া শাক-পাচলি তথা ফল-মূল, গাখীৰ, কণী আদি প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা উন্নয়ন আয়ুক্ত ফিৰদৌছ আলম, স্বাস্থ্যয, শিক্ষা তথা অন্যান্য সংশ্লিষ্ট বিভাগৰ বিষয়া সকল, সমাজ কল্যাণ বিভাগৰ বিষয়া-কৰ্মচাৰী, পোষণ অভিযানৰ লগত জড়িত কৰ্মচাৰী সকল, বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি সকল উপস্থিত থাকে।

# চাকৰি নে চৰিত্ৰ

ববিতা বৰা



এটা চাকৰি কাক নালাগে? সকলোৱেই বিচাৰে এটা চৰকাৰী চাকৰি, এটা মোটা অংকৰ দৰমহা আৰু বিলাসিতা। বৰ্তমান সময়েই এনেকুৱা। জীৱনৰ উদ্দেশ্য বুলিলেই 'চৰকাৰী চাকৰি' বুলিহে মনলৈ আহে। যদিওবা চাকৰি এটা নোহোৱাকৈ উশাহ ল'ব পাৰি, মানুহৰ কটুকথা, ঠাট্টা-মস্কাৰ কাণত পৰাৰ লগে লগেই চাকৰি এটা নোহোৱাৰ যান্ত্ৰণায়ে বৰকৈ মেৰিয়াই ধৰে। আজিকালি কোনোবাই কাৰোবাক লগ পালে, 'কি খবৰ' বুলি সোধা কম বৰঞ্চ 'এতিয়া কি কৰি আছ' বুলিহে প্ৰথমে সোধে। ঘৰ-পৰিয়াল বা সুখ-অসুখৰ বিনিময় দূৰতেই থাকে। নেজ লৰাই, চৰকাৰলৈ যৌতুক যাচি চাকৰি গোটোৱাসকল বা তেওঁলোকৰ পৰিয়ালৰ লোকে, সৎ পথত থাকি চাকৰি এটা গোটাব নোৱাৰা এজনক নীতি শিক্ষা দিয়াৰ প্ৰকোপটো অলপ বেছি যেন দেখো! অথচ তেনেসকলে বুজি নাপাই যে এটা পদ তেওঁলোকে বেইমানী কৰি কিনি লোৱাৰ ফলশ্ৰুতিতেই হয়তো যোগ্যতা থকা আনজনে প্ৰাপ্য পদটো হেৰুৱালে। এনেকুৱা ব্যক্তিও দেখিছো, যি চৰকাৰী গাদীত বহিছে। এখন সাধাৰণ আবেদনপত্ৰ পূৰাবলৈ এঘন্টা সময় লৈছে! আন কিছুমানে গাদীত বহি ঘৰ পৰিয়ালৰ লগত ভাত-মাছৰ কথা পাতি আছে, তেওঁৰ অপেক্ষাত খাপ পিতি আনজন ৰৈ আছে। উপায় নাই। সহ্যৰ সীমাৰ বাহিৰ হৈ গৈছে যদিও মাত মাতিব পৰা নাই কাৰণ তেনে কৰিলে কৰিবলৈ অহা কামটোও গাদীত বহি থকাজনে পিছুৱাই পিছুৱাই দেৰি কৰিব। কোনোবা সময়ত, এনেলোকক 'তেল মাৰিব' লগা হয়, নিজৰ স্বাৰ্থত। এচামে আকৌ পোনপটীয়াকৈ কাম কৰিলে সন্মান তললৈ যোৱাৰ ভয় কৰে। চৰকাৰী চাকৰি কৰে যিহেতু অলপ নাটক কৰো বুলিয়েই নে কি এবাৰতেই প্ৰয়োজনীয় বস্তু বা নথি পত্ৰখিনি আনজনক লাগিব বুলি কোৱাৰ পৰিবৰ্তে, ইটো নাই সিটো লাগিব বুলি দহবাৰ দৌৰাই। নিৰ্দিষ্ট দিনত তেওঁ মাতি পঠালেও আকৌ ইটো-সিটো নতুন কিবা আৱিস্কাৰ কৰি অত ত'ত জেৰক্স কৰিবলৈ পঠোৱাজন কোনফালৰ পৰা এজন দায়িত্বশীল কৰ্মচাৰী? এটা সাধাৰণ বানান শুদ্ধকৈ লিখিব নজনা অফিচৰ কৰ্মচাৰীক 'চাৰ' বুলি মতাটো কিমান গ্ৰহণযোগ্য? কথাবোৰ তেওঁলোকৰ নজনা বা নোৱাৰাটোৰ ওপৰত কোৱা হোৱা নাই। তেওঁলোকৰ যি সন্তীয়া 'মই বৰ' ব্যৱহাৰ, সেই ভিত্তিত চাই তেওঁলোকৰ স্থিতিৰ ওপৰত প্ৰশ্ন উঠে। সকলোবোৰ তেনেকুৱা নহয়। কিছুসংখ্যক কিন্তু নোহোৱাও নহয়। ইমান খাটনি, ইমান ফৰমাইছ দি থকাজনে মোৰ! আপোনাৰ! আমাৰ দুৰ্বলতাৰ সুযোগ লয় আচলতে। কৰ্তব্যৰ সময়ত মুখত তামোল পাণ চোবাই সহায় বিচাৰি যোৱাজনৰ কথাত অৱহেলা যেন কৰি থকা, ভাত-মাছৰ কথা পাতি আনজনক ৰখাই থোৱা..এইবোৰ সন্তীয়া মনোভাৱ কিয়? কিয় এচামে আন এজনক চাকৰি নাই বুলি হাহেঁ? হহাঁৰ যুক্তি ক'ত? তেওঁ আপোনাৰ টকাত খাইছে নে পিন্ধিছে?আচৰিত নহয়নে? আচলতে বেলেগৰ কথা বাদেই দিছো। ঘৰ-পৰিয়ালৰ নিজৰ মানুহেই আপোনজনক হহাঁৰ কোবতো বেছি। কি যে পৃথিৱীহু পঢ়া শুনা কৰি, চেষ্টা আৰু কষ্ট কৰা সৎ নীতিত থকা এজনে চাকৰি নাপায় শেষত খেতি কৰিলে, তামোল পাণৰ দোকান দিলে কিমানৰ যে পেটত কুট কুটাই সেইয়া নক'লেও হ'ব। তেওঁলোকৰ প্ৰশ্ন, 'ইমান পঢ়ি শুনি এইয়াহে কৰিলা।' শিক্ষিত ছোৱালী এজনীয়ে চাকৰি গোটাব নোৱাৰি চিলাই বা সৰু সুৰা কিবা এটা কৰি আনৰ ওচৰত হাত নপতাকৈ চলি থকাৰ সময়ত এচামৰ উপদেশ, 'বিয়া হোৱা ধনী ল'ৰা এটা চাই'। ছিঃ কেনে মানসিকতা। নহয়নে? তাৰ মানে চাকৰি নথকা সকল মানুহ নহয়? এটা সুৰক্ষিত ভৱিষ্যত সকলোৱেই বিচাৰে। কিন্তু সেইবুলি চৰকাৰী চাকৰি থকা কোনো চৰিত্ৰহীন এজন পুৰুষলৈ এজনী ছোৱালীক বিয়া দিওঁতে বহু অভিভাৱকে চাকৰিটোহে প্ৰথম প্ৰাধন্য দি সম্পৰ্ক গঢ়িব বিচাৰে। চাকৰি নথকা সৎ চৰিত্ৰৰ যুৱক এজনলৈ, যিজনে বিশ্বাস আৰু ভালপোৱাৰে সদায়েই যুৱতী গৰাকীক ৰাখিব পৰাৰ সামৰ্থ্য আছে, তেনে এজনলৈ নিজৰ কন্যাক দিয়াৰ বেলিকা কিয় দহবাৰ

(ছয় পৃষ্ঠাত চাওক)

# দায়িত্ব

মঞ্জুষা শৰ্মা



পাৰিজাত হঁতৰ ঘৰখনত আজি এক উৎসৱ মুখৰ পৰিবেশ। নহ'বনো কিয়?? পল্লৱ ভট্টৰ একমাত্ৰ সন্তান পাৰিজাতৰ (পৰী) এমাহৰ পিছতেই যে সেই নিৰ্দিষ্ট ল'ৰাজনৰ লগতেই বিয়াৰ দিন ঠিক হৈ গ'ল। মাক-দেউতাক দুয়োজনেই নিজ কৰ্মজীৱনত সঞ্চয় কেৱল যেন এই বিশেষ দিনটোৰ বাবেই কৰিছিল। সেয়ে তেওঁলোক বহুত সুখী আৰু পৃথিৱীৰ এনে এটা বস্তু নাই যিটো তেওঁলোকে তাইক নিদি থাকিব। তাৰ সমান্তৰালকৈ পল্লৱ ভট্ট কন্যা বিচ্ছেদৰ দুখত জীৱন্তে মৃত যেন হৈ পৰিছে। বিচ্ছেদ নহয়নো কি? বিয়াৰ পিছতটো তাইক কোনো ক্ষেত্ৰতেই আৰু আগৰদৰে নাপায়। তাইৰ খণ্ড — অভিমান থেহ পেচ আৰু তেওঁলোকৰ আদৰ যত্ন আদিবোৰতো জোৱাঁৰ সময়ত নিজৰ কাপোৰ সাজ সলাই থোৱাৰ দৰে সেই সম্পৰ্কবোৰোতো অৰ্থহীন হৈ যায়। তথাপিও তেওঁ এই দুখৰ তিলমানো আভাস যাতে কোনেও ধৰিব নোৱাৰে তাৰ বাবে সুন্দৰ অভিনয় কৰি গৈছে। ইফালে পৰী নিজৰ কোঠাৰ বিছনাত পৰি ভাব সাগৰত বিভোৰ। পিতৃৰ কলিজাৰ টুকুৰাৰ অন্তৰ কিহে দহিছে তাৰ সম্ভেদ ল'বলৈ যে কাৰো আহৰিয়েই নাই। তাই আজি আচৰিত হৈ পৰিছে মানুহ জাতিটোৰ কথাই ভাবি। কিয়নো মানুহ জাতিটো দিনক দিনে ইমানেই সলনি হৈ গ'ল যে কোনোৱেই কাকো বিশ্বাসত ল'বই নোৱাৰি। তথাপিও এই বিয়া এক বিশ্বাসৰ বান্ধোন। সকলোৱে খুব আনন্দ আৰু আশাৰে দুটি মনএটি হোৱাৰ আৰ্শীবাদ দিয়ে। তাতে কোনোবাই জীৱনৰ নতুন যাত্ৰাত সুখী হৈ জয়ী হ'ব পাৰে। আন কোনোবাই যেন জীৱনত জীয়াই থকাৰ মাদকতাই হেৰুৱাই পেলায়। আন এচামে যেন নিজৰ অন্তৰৰ বেদনাৰ বহি প্ৰকাশ ঘটিব নোৱাৰাকৈ নিজৰ মতত (খেয়ালী) থাকি জীৱনৰ বাটত খোজ মিলাই আগুৱাই যায়। য'ত সুন্দৰভাৱে সকলো দায়িত্ব সুকলমে পালন কৰে। এই ক্ষেত্ৰত তাই তাইৰ অতি মৰমৰ "তা" লৈ অৰ্থাৎ দেউতাকলৈ মনত পৰি গ'ল। যিজনে বহুতো দায়িত্ব সুকলমে পালন কৰিছে। এফালে এজন উচ্চপদস্থ চৰকাৰী বিষয়া হৈ এক গধুৰ দায়িত্ব পালন কৰাৰ সমানে সমানে এজন স্বামী হিচাপে, পুত্ৰ হিচাপ বাৰ্ধক্যৰ বাবে শৰ্যাগত হোৱা মাতৃৰ দায়িত্ব আৰু শেষত পিতৃ স্বৰূপে অতি আদৰৰ কন্যাৰ দায়িত্বও পালনত সফল হৈছে। উচ্চ শিক্ষাৰ বাবে আদৰৰ কন্যা চকুৰ আঁতৰত যদিও ব্যস্ত কৰ্ম জীৱনৰ মাজতে তাইক উৎসাহ আৰু সাহস দিয়াৰ দৰে কৰ্মক্ষেত্ৰত যাক যেনেদৰে পাৰে হাঁহিমুখে সহায় কৰি আহে। হঠাতে পৰীৰ সেইদিনটোলৈ মনত পৰি গ'ল যি দিনা ক'ৰণাৰ বাবে দেশৰ বাহিৰত থকা সকলোকে নিজৰ দেশলৈ ঘূৰি আহিবলৈ বাধ্য কৰাইছিল সেইদিনা তাই অহাৰ খবৰটো ফোন বা মেছেজ কৰি পিতৃক জনাবলৈ থাকি গ'ল। কৰ্মত ব্যস্ত হৈ থাকোতে যেতিয়া গম পালে যে পৰী আহি বাছ ষ্টেণ্ডত ৰৈ আছেহি তেতিয়া তেওঁৰ খণ্ড উঠিল। কাৰণ তেওঁ এঘণ্টাৰ পিছতহে জীয়েকৰ ওচৰ পাবগৈ। তথাপিও সদায় কৰ্মক্ষেত্ৰত নিজকে উচ্চ স্থানত ৰখাৰ বাবে আজি বিনা বাধাই সময়তকৈ আগতেই গাড়ীলৈ ওলাই আহিল। নিজৰ জীৱনক তুচ্ছ কৰি প্ৰাণৰ পুতলাক আনিবলৈ যাওঁতে অজানিতে মৰমৰ গাড়ীখন ঘূৰ্ণীয়াহৈ পৰাতো আজি কোনো প্ৰতিক্ৰিয়া দেখা নগ'ল। ঠিক সেই একেদৰে এই মহামাৰীৰ অতি ব্যস্ততাৰ মাজত যেতিয়া নিজ মাতৃয়ে অনন্তধামলৈ গতি কৰিলে তেতিয়াও তেওঁলৈ অহা ফোনটো তুলি ধৰি "মোৰ মাৰ মৃত্যু হৈছে মই শ্মশানত আছো বেয়া নাপাব" বুলি কৈ নিজৰ ব্যক্তিত্ব আৰু দায়িত্বৰ সুন্দৰ প্ৰকাশ ঘটাইছিল। তাৰোপৰি কৰ্ম ব্যস্ততাৰ মাজত আহাৰ খাবলৈ ক'লে ধেমালি কৰি কয় গাড়ীটো তেল সঘনাই ভৰাই নাথাকে। এইবোৰে সময়হে নষ্ট কৰে। মই যেতিয়া তেনে এজন মহান ব্যক্তিৰ সন্তান তেন্তে ময়ো মোৰ সকলো দায়িত্ব সুন্দৰ ভাৱে পালন কৰি জীৱনটো সুখৰ কৰি তুলিব পাৰিম। আচলতে প্ৰতিজন পিতৃয়েই যদি "তা" তোমাৰ দৰেই

(ছয় পৃষ্ঠাত চাওক)

# "শিক্ষক দিৱসৰ" শুভমূৰ্হুতত কিছু ডুখৰীয়া চিন্তা.... এক বিশ্লেষণ

মানসী মিশ্ৰ



আকৌ ৰাজ্যজুৰি ব্যাপক আয়োজন চলিছে। এটা বছৰৰ পিছত ৫ চেপ্টেম্বৰৰ তাৰিখটো শিক্ষক দিৱস ৰাজ্যিক পৰ্য্যায়ত অনুষ্ঠিত কৰিবলৈ বিভিন্ন আয়োজন চলিছে যিদৰে প্ৰতিটো বৰ্ষতে গতানুগতিক ভাৱে শিল্পী দিৱস, ৰাভা দিৱস আদিও পালন কৰি সেই মহান ব্যক্তিসকলক এদিনৰ বাবে গভীৰ শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শন কৰা হয়। কিন্তু তাৰ পিছৰ দিনটোৰ পৰাই আগদিনা সেই ডাঙৰ ডাঙৰ সভা সমিতি সমূহত গ্ৰহণ কৰা প্ৰস্তাৱ সমূহ কাৰ্য্যকৰী কৰিবলৈ পাহৰি যোৱা হয়। ভৰতবৰ্ষৰ দ্বিতীয় ৰাষ্ট্ৰপতি ড০ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটোক ৰাষ্ট্ৰজুৰি শিক্ষক দিৱস হিচাপে পালন কৰি চুকে-কোণে প্ৰতিটো প্ৰান্ততে শিক্ষকতাৰ দৰে এটা মহান বৃত্তি গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীক জ্ঞান গৰিমাৰে উজ্বলাই তুলিব বিচৰা শিক্ষা গুৰু সকলক মনত পেলাবলৈ, শ্ৰদ্ধা জনাবলৈ এই শিক্ষক দিৱসৰ আয়োজন কৰা হয়। গুৱাহাটীৰ ৰবীন্দ্ৰভৱনত চৰকাৰী কাৰ্য্যসূচী আয়োজন কৰি কেইজনমান বচা বচা শিক্ষকক সম্বৰ্দ্ধনা জ্ঞাপন আৰু কেইজন মান ব্যক্তি কেইশাৰীমান সুন্দৰ কথাৰে বছৰটোৰ বাবে শিক্ষক দিৱসৰ দৰে এটা মহান উদ্দেশ্য সম্বলিত অনুষ্ঠানৰ সামৰণি মৰা হয়। ঠিক তেনেদৰে জিলা ভিত্তিক কেইটামান আনুষ্ঠানিক কাৰ্য্যসূচী, ছাত্ৰসস্থাৰ উদ্যোগত আয়োজন কৰা কাৰ্য্যসূচীৰে এটা দিনৰ ভিতৰতে শিক্ষকৰ প্ৰতি পৰম শ্ৰদ্ধা জ্ঞাপন কৰি পুনৰ এটা বছৰলৈ এই সকলো প্ৰস্তাৱ গ্ৰহণ শিক্ষক সমাজৰ উত্তৰণৰ বাবে গ্ৰহণ কৰিব খোজা সকলো কাৰ্য্যসূচী, প্ৰতিশ্ৰুতি পুনৰ চন্দুকৰ ভিতৰত ভৰাই দিয়া হয়। ৰাষ্ট্ৰীয় পৰ্য্যায়ত , ৰাজ্যিক পৰ্য্যায়ত কেইজনমান ব্যক্তিক (শিক্ষকক) বাচনি কৰি বঁটা প্ৰদান কৰা হয়, সেইয়া নিসন্দেহে এটা উচিত আৰু সুন্দৰ পদক্ষেপ। আঁতৰৰ পৰা কথাবোৰ লক্ষ্য কৰিলে খুবেই যথোচিত পদক্ষেপ যেন লাগে কিন্তু ওচৰৰ পৰা কথাবোৰ যেতিয়া পৰ্য্যালোচনা কৰি চোৱা হয় বহুসময়ত শিক্ষকৰ দৰে একোটা মহান বৃত্তিৰ লগত জড়িত ব্যক্তিক তেওঁলোকৰ কষ্ট আৰু ত্যাগৰ স্বীকৃতি দিবলৈ যিসমূহ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক বঁটা প্ৰদান কৰা হয়, সেইসমূহৰ যি বাচনি প্ৰক্ৰিয়া চলে, সেইয়াও ৰাজনৈতিক ক্ষমতাৰ দ্বাৰাই সম্পন্ন হয় বুলি বহুতেই অভিযোগ কৰে আৰু ইয়াৰ বাবে বহুযোগ্য ৰক্তি, যি সকলে খুব সচাঁ আৰু নিঃস্বাৰ্থ ত্যাগেৰে ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ জীৱন গঢ়াৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰিছিল তেনে ব্যক্তি প্ৰাপ্য সন্মান,বঁটা আদি লাবৰ পৰা বঞ্চিত হয়। আমাৰ ৰাজ্যখনত সকলোফালে দুৰ্নীতিৰ পোহাৰ মেলা এই সন্ধিক্ষণতো কিন্তু "শিক্ষক দিৱসৰ"এই মূহুৰ্তত এটা কথাই মনটো বাৰে বাৰে দোলা দি গৈছে যে শিক্ষকতাৰ দৰে এটা পবত্ৰি বৃত্তিৰ লগতে জড়িত ব্যক্তিৰ স্বীকৃতি আৰু সন্মানক কেতিয়াও ৰাজনৈতিক ৰহনেৰে নাপায়। প্ৰকৃততে এটা দিনৰ কেইটামান কাৰ্য্যসূচীৰে আচলতে সেই অনুষ্ঠানৰ লগত জড়িত মহৎ উদ্দেশ্য.সফল.কৰি তুলিব যেতিয়া সেই অনুষ্ঠানৰ লগত জড়িত ব্যক্তিসকলে জীৱনত জীয়াই থকা কালছোৱতে উপযুক্ত সন্মান আৰু মৰ্য্যাদাখিনি লাভ কৰিব পাৰে। আমাৰ ৰাজ্যখনত এনে হেজাৰ হেজাৰ শিক্ষক এতিয়াও আছে যিসকলে মাহিলী কোনো বেতন বা মাননি নোলোৱাকৈ নিজৰ ত্যাগ স্বীকাৰ কৰি যাবলগীয়া হৈছে ভৱিষ্যতৰ

(ছয়পৃষ্ঠাত চাওক)

# মোৰ হৃদয়ৰ আপোন

শ্বেহনাজ চুলতানা



হঠাৎ হেৰাল মোৰ হৃদয়ৰ আপোন
ছিগিল মোৰ কলিজাৰ মৰমৰ শিকলি ডাল।
ভাগি গ'ল মোৰ হিয়াৰ বান্ধোন।
কিয় জানো মোৰ আৱেগভৰা কলিজাটি
হঠাৎ কঁপি উঠিল।
নিস্তব্ধতাই যেন মোক আগুৰি ধৰিলে।
কি হ'ল মোৰ সেই কঠোৰ মৰম
কিয় আজি মই যন্ত্ৰনাৰ সাগৰত
উটি ভাঁহি আছো
মনক এক অবুজ বুজনিৰে বুজাব
নোৱাৰা হৈছো
মোৰ জীৱন মায়াৰ অন্ধকাৰ আৱৰি ধৰিলে
হঠাৎ মোক মৰমৰ বতাহজাক উৰুৱাই নিলে
এচাটি অন্ধকাৰে
কেনেকৈ জীয়াই তুলিম সেই আকলুৱা মৰমক
আকৌতো বিচাৰি নাপাঁও সেই মৰম
ঘাত-প্ৰতিঘাটেৰে আৰম্ভ হৈ শেষ হ'ল
মোৰ জীৱন
সেই অন্ধকাৰত ডুবি থাকি বিচাৰি নাপালো পোহৰ
পোহৰ বিছৰাৰ প্ৰতিবাদত বিচাৰি পালো মই অন্ধকাৰ
অন্ধকাৰ কেৱল অন্ধকাৰ
বিলুপ্তপ্ৰায় হম এই সীমীহীন অন্ধকাৰত

# মূল্যবোধৰ শিক্ষা, শিক্ষক আৰু সন্মান

লক্ষধৰ দাস



"শিক্ষক সকল হৈছে যিকোনো দেশৰ মেৰুদণ্ড স্বৰূপ, সকলোবোৰ প্ৰত্যাশা বাস্তৱলৈ ৰূপান্তৰ কৰা মূল স্তম্ভ। " ড° এপিজে আব্দুল কালাম। শিক্ষক সকলে নীতি-আদৰ্শ, নৈতিক মূল্যবোধেৰে প্ৰজ্ঞাৱান সমাজ গঢ়ে, তেওঁলোকে সমাজক প্ৰজ্ঞাৰ আলোকেৰে আলোকিত কৰি সমাজক অজ্ঞান আন্ধাৰৰ পৰা জ্ঞানৰ জ্যোতিৰে জ্যোতিমান কৰি শৃংখলিত ভাৱে আগুৱাই লৈ যায়। ড° ভূপেন হাজৰিকাই কোৱা সেই নৈতিকতাৰ পতন আৰু মানৱতাৰ স্খলনৰ বিশৃংখলতাৰ পৰা সমাজক উদ্ধাৰ কৰাত শিক্ষকৰ ভূমিকা অগ্ৰণী। অকল শিক্ষানুষ্ঠানত শিক্ষাদান কৰা ব্যক্তিসকলৰ উপৰিও ন্যায় পৰায়নতা (righteousness)ৰ জ্ঞানৰো প্ৰেৰণা যোগোৱা আদৰ্শবান সকলোকে শিক্ষক বা শিক্ষাগুৰুৰ বহল পৰিসৰৰ ভিতৰত সাঙুৰি লোৱা হয়। শিক্ষক সকল নৈতিক মূল্যবোধৰ ধ্বজাবাহক, সেয়েহে তেওঁলোক শ্ৰদ্ধা, ভক্তি আৰু সন্মানৰ পাত্ৰ। গুৰুৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাতো ভাৰতীয় দৰ্শনৰ মূল কথা। এই সন্মান কোনো ব্যক্তিৰ প্ৰতি হোৱাতকৈ তেওঁ বহন কৰা আদৰ্শ, নৈতিকতা, মূল্য সততা আৰু সাধুতাৰ প্ৰতি সন্মান। কোনো শিক্ষকে যদি নীতি আদৰ্শ বিসৰ্জন দি অনৈতিক কাৰ্যত লিপ্ত হয়, তাৰ পিছত তেওঁৰ শ্ৰদ্ধাৰ পাত্ৰ হৈ নাথাকে। এনে কাৰ্যই তেখেতৰ ব্যক্তিগত সন্মান হানি কৰাই নহয় সমগ্ৰ শিক্ষক সমাজলৈ গ্লানি আনে। এই বৃত্তিত অৰ্থৰ মূল্যতকৈ ত্যাগৰ আদৰ্শ প্ৰমূলৰ মূল্য অধিক। অকল অৰ্থ উপাৰ্জনৰ বাবে কৰিব পৰা কাম বহুতো আছে। প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষক সকলক পিতা মাতাৰ পিছতেই আধ্যাত্মিক পৰিবেশৰ তৃতীয় অংশ বুলি অভিহিত কৰা হয়, ড° কালামেও কৈ গৈছে। পৰ্য্যায় যিয়েই নহওক কাম সকলো জ্ঞানৰ জ্যোতিৰ সমাজ আগবঢ়াই নিয়া। তথাপি শিক্ষক সমাজ বিভিন্ন দিশৰ পৰা বহুধা বিভক্ত। এটা উপভাগে আন এটাক মৰ্য্যদা প্ৰদান কৰিব নোখোজে। এজন শিক্ষকে আন এজনৰ শিকৰ প্ৰতি প্ৰৰ্দশন কৰা ভেদাভেদ মূলক আচৰণে ৰাজনৈতিক পৰিৱেশে শিক্ষক সমাজক কলুষিত কৰি সন্মান হানি কৰাই নহয় শৈক্ষিক পৰিৱেশো বিনষ্ট কৰি আহিছে। শিক্ষাক ব্যক্তিগত খণ্ডত একাংশেই বজাৰত বিক্ৰীৰ সেৱা সামগ্ৰী হিচাপে ব্যৱহাৰ কৰাৰ লগে লগে শিক্ষা আৰু শিক্ষকৰ পৱিত্ৰতা কমি গৈছে। তাত প্ৰমূল্যতকৈ আৰ্থিক লাভালাভ মূল উদ্দেশ্য হৈ পৰিছে। তেনে গুৰুকুলত গ্ৰাহকৰ ক্ৰয় ক্ষমতাই প্ৰাধান্য পোৱা বাবে তাহানিৰ

(ছয়পৃষ্ঠাত চাওক)

# শ্ৰদ্ধাৰ শিক্ষাগুৰু

**ময়ূৰাক্ষী গগৈ**

আজি শিক্ষক দিৱসৰ প্ৰাকক্ষণত
হে মহান শিক্ষাগুৰুসকল
নতশিৰে প্ৰণিপাত জনাইছোঁ।
আপোনালোকে জ্ঞানৰ আলোকেৰে
সমাজ আলোকিত কৰি তোলে।
হাজাৰ জনৰ আৰ্দশৰ মূৰ্তি
আপোনালোক.....
ইতিহাসৰ পাতেই প্ৰমাণ তাৰ।
আজিৰ এই শুভক্ষণত
কৰযোৰে আহ্বান জনাইছোঁ,
উশৃঙ্খল নৱপ্ৰজন্মক
শুদ্ধ-সৎ পথলৈ আনক,
জ্ঞান বৃক্ষ হৈ পথ-প্ৰদৰ্শক হওঁক।

# শিক্ষা গুৰুৰ প্ৰতি আমাৰ কৰ্তব্য

**বন্দিতা শৰ্মা কন্দলী**




কৰ্তব্য মানে হৈছে কৰিবলগীয়া কাম। আমাৰ কৰিবলগীয়া কামনো কোনবোৰ সেই কথা আমি জানিব লাগিব নহয়নে বাৰু! আমি মানুহ হিচাপে জন্মগ্ৰহণ কৰিছো যেতিয়া আমাৰ জীৱনৰ কৰ্তব্যবোৰ ভালদৰে সম্পাদন কৰিলেহে নিজকে সুনাগৰিক হিচাপে গঢ়ি তুলিব পাৰিম। তাৰ বাবে আমি আমাৰ মানবীয় গুণসমূহৰ বিকাশ সাধন কৰিব লাগিব। এখন সুস্থ, সবল সমাজ গঢ়িবলৈ হ'লে সমাজৰ প্ৰতিজন ব্যক্তিয়েই মানবীয় গুণসমূহ অৰ্জন কৰি প্ৰকৃতাৰ্থত মানুহ হ'ব লাগিব। এয়াই হ'ল আমাৰ নিজৰ প্ৰতি কৰ্তব্য। আমাৰ নিজৰ প্ৰতি কৰ্তব্য অৰ্থাৎ গাইগুটীয়া কৰ্তব্যৰ উপৰিও কিছুমান সমুহীয়া কৰ্তব্য আছে। যেনে পিতৃ-মাতৃৰ প্ৰতি, পৰিয়ালৰ প্ৰতি, ওচৰ- চুবুৰীয়াৰ প্ৰতি, শিক্ষক সকলৰ প্ৰতি, বন্ধু-বান্ধৱৰ প্ৰতি কৰ্তব্য ইত্যাদি। গ্ৰীক দাৰ্শনিক আলেকজেণ্ডাৰে কৈছিল "মোৰ পিতৃ-মাতৃয়ে মোক জন্ম

(ছয়পৃষ্ঠাত চাওক)



# "শিক্ষক দিৱসৰ" শুভমূৰ্হুতত কিছু ডুখৰীয়া চিন্তা.... এক বিশ্লেষণ

প্ৰজন্মৰ জ্ঞানৰ চকু মোকোলাই দিবৰ বাবে। এমে বহুত শিক্ষাগুৰুৰ উদাহৰণ আছে যিসকলে সুদীৰ্ঘ বছৰ ধৰি শিক্ষকতা কৰাৰ পিছতো বিনা বেতনেই ইহসংসাৰৰ পৰা মেলানি মাগিবলগীয়া হৈছে। শিক্ষক দিৱসৰ এটি পবিত্ৰ মূহুৰ্তত বহুতো গুৰুত্বপূৰ্ণ প্ৰশ্নই সচেতন ব্যক্তি সকলৰ মনত দোলা দি যায়। কাকতে পত্ৰই এনে বহুতো অভিযোগ উত্থাপিত হয় যে শিক্ষকসকলে অৱসৰৰ পিছত পেঞ্চনৰ টকা কেইটাৰ বাবে বিভিন্ন ঠাইৰ পৰা গুৱাহাটীলৈ দৌৰিবলগীয়া হওঁতে তেওঁলোকে যি হাৰাশাস্তি ভোগ কৰিবলগীয়া হয় সেইয়া কিন্তু সচাঁকৈয়ে আজিৰ দিনত দুৰ্ভাগ্যজনক। অৱসৰৰ পিছত পেঞ্চন লাভ কৰাটো সকলো কৰ্মচাৰীৰে এক প্ৰাপ্য অধিকাৰ। তাতে আকৌ শিক্ষকতাৰ দৰে এটা বৃত্তিত নিয়োজিত হৈ নিজৰ অৱসৰ গ্ৰহণৰ পিছত পেঞ্চনৰ টকাকেইটাৰ বাবে বাটকুৰি বাই থাকিবলগীয়া হওঁতে তেওঁলোকৰ যাতায়তৰ নামত, গুৱাহাটীত আহি হোটেলত কটাবলগীয়া হোৱাৰ বাবদ আৰু তেএঁলোকৰ প্ৰাপ্য পেঞ্চনৰ টকা খিনি আদায় কৰিবলৈ যওঁতে চৰকাৰী কৰ্মচাৰীৰ টেবুলে টেবুলে উৎকোচ বিচৰা কাৰ্য্যৰদ্বাৰা আচলতে শিক্ষকতাৰ বৃত্তিৰ পবিত্ৰতা আৰু মৰ্য্যাদাৰ ওপৰত আঘাট কৰা হয়। এনেধৰনৰ কাৰ্য্যৰ পয়োভৰ আমাৰ ৰাজ্যখনতে বেছি বুলি সততে অভিযোগ শুনা যায়। যিহেতুকে শিক্ষকতাৰ দৰে পবিত্ৰ বৃত্তিত নিয়োজিত সকলক সন্মান জনাবলৈ "শিক্ষক দিৱসৰ" দৰে এটা কাৰ্য্যসূচী প্ৰতিবছৰে পালন কৰা হয় তেনে স্থলত চৰকাৰ আৰু এই তন্ত্ৰকাৰী যন্ত্ৰৰ লগত জড়িত আমোল বিষয়া আৰু কৰ্মচাৰী সকলে এইটো কথা লক্ষ্য ৰখা উচিত যে এই শিক্ষকসকলক প্ৰকৃতপক্ষে সন্মান যচা হয়। যেতিয়া তেওঁলোকে পাবলগীয়া দা-দৰমহা, অৱসৰৰ পিছত পেঞ্চন আদি সময়মতে পাবলৈ সক্ষম হয়। এতিয়া এনে বহুত প্ৰইমেৰী, উচ্চ প্ৰাইমেৰী (প্ৰাথমিক) বিদ্যালয় আছে যত এজন মাত্ৰ শিক্ষকেই দুশ তিনিশ ছাত্ৰক পাঠদান কৰাৰ লগতে সম্পূৰ্ণভাৱে পৰিচালনা কৰিবলগীয়া হয়। অসমৰ চহৰ কেইখন বাদ দি চাহবাগান নৈ পৰীয়া চাপৰি অঞ্চললৈ যদি যোৱা হয় তেন্তে এই চিত্ৰখন এতিয়াও দেখিবলৈ পোৱা যাব। এতিয়া বহু বিদ্যালয়ৰ আন্তঃগাঠনি দেখিলে সচেতন ব্যক্তিৰ চকুকপালত উঠিব। ধুমুহা, ৰ'দ বৰষুণৰ মাজত চালেদি পানীপৰা অৱস্থাত শিক্ষকে বিদ্যাৰ্থীক পাঠদান কৰিবলগীয়া হয়। বাৰিষা... ৰাষ্টা ঘাটৰ বাবে অতিকষ্টৰ মাজেদি বিদ্যালয়লৈ যাবলগীয়া হয়, সেইকথা নেদেখা ব্যক্তিয়ে উপলদ্ধি কৰিবলৈ টান কথা। উদ্দেশ্যসমূহ প্ৰয়োজন পূৰণ কৰাত গুৰুত্ব দিয়ক, শিক্ষাদানৰ দৰে এটা মহান কাৰ্য্যৰ লগত জড়িত এই শিক্ষকসকলে যাতে তেওঁলোকৰ প্ৰাথমিক অধিকাৰসমূহৰ পৰা বঞ্চিত হব নোৱাৰে আৰু তেওঁলোকৰ দক্ষতা বৃদ্ধিকৰণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ চৰকাৰী পৰ্য্যায়ত গ্ৰহণ কৰিব লাগে আৰু বিশেষকৈ চুকে কোণে, চহৰে-নগৰে থকা বিদ্যালয় মহাবিদ্যালয়সমূহৰ শৈক্ষিক আন্তঃগাঠনি উন্নীত কৰিব পাৰিলেহে সমগ্ৰ শৈক্ষিক জগতখনৰ উন্নতি নিশ্চিত হ'ব আৰু এয়াহে হব শিক্ষকসকলৰ বাবে প্ৰকৃত আৰু মূল্যৱান শিক্ষক দিৱসৰ উপহাৰ। শেষত শৈক্ষিক কাৰ্য্যৰ দৰে এক মবান কাৰ্য্যৰ লগত জড়িত সমূহ শিক্ষকলৈ "শিক্ষক দিৱসৰ" ওলগ জনালোঁ।

## মূল্যবোধৰ শিক্ষা, শিক্ষক

গুৰুকুলৰ শ্ৰদ্ধা আৰু ভক্তিয়ে স্থান হেৰোৱাইছে। আৰু এনে পৰিৱেশৰ পৰা অহা ছাত্ৰ-ছাত্ৰীৰ আচৰণ মন কৰিবলগীয়া। শিক্ষাৰ এটা উদ্দেশ্য শিক্ষা কৰ্মীৰ আচৰণ পৰিৱৰ্তন (ভাললৈ)। সময় যিমানেই সলনি নহওক সমাজ নিৰ্মাণত শিক্ষকৰ ভূমিকা সদায়েই গুৰুত্বপূৰ্ণ হৈ থাকিব। আধ্যাত্মিক দিশৰ পৰাও সফলভাবে শিক্ষাগ্ৰহণত গুৰুৰ প্ৰতি শ্ৰদ্ধা আৰু বিষয়টোৰ প্ৰতি ভক্তি (তপস্যা) সদায়ে তাৎপৰ্যপূৰ্ণ।

## দায়িত্ব

হয় তেন্তে পৃথিৱীৰ প্ৰতিটো সন্তানেই নিজৰ মহান পিতৃৰ উজ্জ্বল জ্যোতিৰে নিজকে উদ্ভাসিত কৰি তুলিব পাৰিব । যাৰ বাবে এই পৃথিৱীৰ পৰা সকলো ধৰণৰ বেমেজালি, অশান্তি, সমাজৰ যি বিষবাষ্প সকলো নাইকিয়া হৈ এখন সুন্দৰ পৃথিৱী গঢ় লৈ উঠিব । মাকৰ মাতত পৰী সাৰ পাই উঠি বহিল আৰু তেতিয়াহে গম পালে যে ইমান সময়ে তাই সপোন ৰাজ্যতহে আছিল ।

## চাকৰি নে চৰিত্ৰ

ভাৱে? চাকৰি প্ৰয়োজন, কিন্তু চৰিত্ৰ? এচামে আকৌ মোটা দৰমহা পোৱা পিতৃৰ ধনৰে আনক উপলুঙা কৰে। গৰ্ব কৰে। আন কিছুমানে আকৌ একো জীৱিকাৰ সমল নথকা নিজৰ পিতৃৰ পৰিচয় আনক দিবলৈ বেয়া পাই, লাজ কৰে। কিয়? আপোনাৰ পিতৃয়ে কি কৰে, আপুনি কি কৰে দুয়োটা প্ৰশ্ন ভিন্ন। যাৰ পৰা নিজৰ পৰিচয় পাইছো সেইজন জন্মদাতাৰ চাকৰি নাই বুলিয়েই চিনাকি দিবলৈ ইমান লাজ কিয়? এজন পিতৃৰ জীৱিকাক লৈ হহাঁজন কিমান শিক্ষিত? কিমান মূল্যবোধৰ জ্ঞান থকা, আধুনিকতাৰ পোহৰ পৰা সন্তান হ'ব পাৰে তেনেলোক? চৰকাৰী চাকৰি বহু বেয়া বস্তু নহয়নে? বৰ্তমান সময়তটো চাকৰি আছে মানে আপুনি বৰ পুৰুষ। আৰু আপোনাৰ চাকৰিহীনতাই এচাম সমাজ সচেতন ব্যক্তিক গঢ় দিয়ে যি আপোনাক মানসিক পীড়া দিবলৈ উঠি-পৰি লাগে, বাৰে বাৰে সোৰঁৱাই দিয়ে যে আপোনাৰ চৰকাৰী চাকৰি নাই। গতিকে আপুনি সৎ পথত থাকিলেও আপোনাৰ চৰিত্ৰও অসৎ, সন্মানৰ পাত্ৰও আপুনি নহয়। সৰুতে জীৱনৰ লক্ষ্য নামৰ ৰচনাখনতও চৰকাৰী চাকৰি থকা পদবোৰৰ বিষয়েই আপুনি! মই লিখিছিলো। যেনে ডাক্তৰ, ইঞ্জিনিয়াৰ, শিক্ষক ইত্যাদি। নম্বৰৰ আশাত মইও লিখিছিলো যদিও মোৰ মনত সদায়েই থকা লক্ষ্যটো মই আজি পৰ্যন্ত নিলিখিলো। আচলতে, কিতাপবোৰতো চাগে চৰকাৰী শব্দটোৰ প্ৰাধ্যন্য বেছিয়েই আছিল। সেইবাবেইটো প্ৰতিটো পেচাৰ আগত 'আদৰ্শ' শব্দটো লিখিবলৈ পাহৰিলে। শেষত, আপোনাৰ! মোৰ অস্তিত্বত প্ৰশ্ন উঠে 'চাকৰি নাই যিহেতু সচাঁকৈয়ে আমিও এজন মানুহেই নে?


## সংগ্ৰাম

**অংশুমান বাৎস**

মৌন ওঁঠৰ আঁৰত,
শব্দৰ লুকাভাকু..
গোপনে ৰাখিব খোজো,
নিৰ্জনতাৰ ভাৱবোৰো ।
হৃদয়ক মাথোঁন প্ৰশ্ন কৰোঁ,
এটি এটি ক্ষণ গণো
হেৰুৱাৰ ভয়ত নিতৌ,
উচুপনি গোপনাই ৰাখোঁ ।
বুজনিৰ মাজেৰে
সান্তনা নিজক যাচোঁ,
অনুভূতিৰ মায়াজালৰ
চিকাৰ মই হৈ পৰোঁ ।
ভাৱি ভাৱি পাৰ নাপাওঁ
বিচলিত হ'ব খোজোঁ,
গধুলিৰ সময়বোৰ
অনিশ্চয়তাৰে পাৰ কৰোঁ ।
আকৌ ন-আশা লৈ
হাঁহি এটি মুখত পিন্ধো,
সপোন মই পুনৰ দেখো..
দাপোনৰ আগত নিতৌ
বিষাদবোৰো দাঙি ধৰোঁ ।
নিজক নিজে প্ৰশ্ন কৰোঁ,
উশাহৰ গভীৰতাত,
আশাৰ নতুন বাট বুলো ।

## বৰষুণ


**প্ৰসেনজিৎ গোস্বামী**



জুৰি নদীত বিলীন
নদী সাগৰত
আৰু মই
মই তোমাত বিলীন
তোমাৰ হৃদয়ৰ পৰা
ভাপ হৈ উৰি গলেও
এদিন সৰিম
চকু পানীৰে বৰষুণ হৈ

## শিক্ষা গুৰুৰ প্ৰতি

দিছে, আৰু মোৰ শিক্ষা গুৰুসকলে মোক দিছে জীৱন"। শিক্ষা গুৰুসকলেই আমাৰ জ্ঞানৰ চকু মোকলায়। সেয়ে শিক্ষক সকলৰ প্ৰতি আমাৰ আচৰণত বিনয় আৰু ভক্তি থকা উচিত। প্ৰাচীন ভাৰতৰ গুৰুভক্তিৰ এটা মহৎ দৃষ্টান্ত আছে। কাহিনী উল্লেখ কৰিছোঁ। পুৰণি কালত ভাৰতবৰ্ষত ঋষি -মুনিসকলে নিজৰ ঘৰতে ৰাখি ছাত্ৰক বিদ্যা শিক্ষা দিছিল। অৰ্থাৎ ছাত্ৰ সকলে গুৰুগৃহত থাকি শিক্ষা গ্ৰহণ কৰিছিল। তেনে এজন ঋষি আয়োদ ধৌম্যৰ আৰুণি নামৰ এজন শিষ্য আছিল। তেওঁৰ গুৰুৰ প্ৰতি বৰ ভক্তি আছিল আৰু মনোযোগেৰে শাস্ত্ৰ অধ্যয়ন কৰি কম দিনৰ ভিতৰতে গুৰুৰ প্ৰিয় পাত্ৰ হৈ পৰিছিল। সেই সময়ত গুৰুৱে শিষ্যৰ বিশ্বাস, ভক্তি আদি পৰীক্ষা কৰি চাইহে শিষ্যৰ জ্ঞান লাভৰ বিষয়ত সন্তুষ্ট আৰু নিশ্চিত হৈছিল। ঋষিয়ে আৰুণিৰ গুৰুভক্তিৰ প্ৰমাণ চাবলৈ এদিন আৰুণি ক ক'লে- তুমি পথাৰলৈ গৈ আলিবোৰ ভালকৈ মাৰাগৈ; চাবা, যাতে খেতিৰ পৰা পানী ওলাই নাযায়। আৰুণি য়ে গুৰুৰ আজ্ঞা পালি পথাৰৰ আলি বান্ধি দিলে যদিও এফালেদি কোনো উপায়ে পানী ওলোৱা বন্ধ কৰিব নোৱাৰি নিজেই কাতি হৈ আলিত পৰি পানীৰ সোঁত বন্ধ কৰিলে। ইফালে আন্ধাৰ হোৱাৰ পিছতো আৰুণি ঘুৰি নহাত গুৰু, শিষ্য সকলৰ সৈতে আৰুণি ক বিচাৰি গ'ল। তেওঁলোকে পথাৰত আৰুণিক তেনেদৰে পৰি থকা দেখি আচৰিত হ'ল যদিও গুৰুৱে সকলো কথা বুজি পালে আৰু গুৰুভক্তিত সন্তুষ্ট হৈ উদ্দালক নাম দি সৰ্বশাস্ত্ৰত গভীৰ জ্ঞান লাভ কৰিবলৈ সক্ষম হ'বা বুলি আৰ্শীবাদ দি আশ্ৰমৰ পৰা বিদায় দিলে। আৰুণি য়ে গুৰুৰ আৰ্শীবাদ পাই গুৰুৰ চৰণত সেৱা জনাই ঘৰমুৱা হ'ল। এয়া গুৰুভক্তিৰ অমৰ কাহিনী। আমিও ১৯৬২ চনৰ পৰা প্ৰতি বছৰে পাঁচ ছেপ্টেম্বৰ তাৰিখে শিক্ষক দিৱস পালন কৰি আহিছোঁ। সেই দিনটো হৈছে স্বাধীন ভাৰতৰ দ্বিতীয়জনা ৰাষ্ট্ৰপতি, শিক্ষাবিদ, দাৰ্শনিক, সাহিত্যিক ড °সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন। শিক্ষকতা আৰু শিক্ষা গুৰুৰ প্ৰতি থকা গভীৰ আস্থা আৰু ভক্তিৰ বাবেই তেখেতে নিজৰ জন্মদিনটো শিক্ষক দিৱস হিচাপে পালন কৰিলে সুখী হ'ম বুলি কৈছিল। বৰ্তমান সময়ত এনে গুৰুভক্তিৰ বিপৰীতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক হে দেখা যায়। ই পৰিবৰ্তিত সময়ৰ অবদান। সমাজৰ প্ৰতিটো দিশতে বিশেষকৈ মানৱ সম্পদ সৃষ্টিৰ কাৰণে শিক্ষক সমাজৰ ভূমিকা অতুলনীয়। শিক্ষকসকলো খোজে প্ৰতি নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সদাসচেতন হোৱা উচিত। এই শ্ৰদ্ধা, ভক্তি বলপূৰ্বক ভাৱে লাভ কৰা সম্পদ নহয়। শিক্ষকতা বৃত্তিৰ প্ৰতি থকা প্ৰেম, আন্তৰিকতা আৰু দায়িত্বই হে এজন শিক্ষকক সমাজৰ আদৰণীয় ব্যক্তি হিচাপে গঢ়ি তুলিব। আজি এই পবিত্ৰ শিক্ষক দিৱসৰ সুভক্ষণত প্ৰতি জন শিক্ষাগুৰুলৈ আমাৰ ভক্তিভৰা সেৱা আগবঢ়াইছোঁ।




JANASANYOG-1498/21

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**
GUWAHATI—781025

১৯ ভাদ, ১৪২৭ চন Rongili Barta, Date of Publication--5 , 2021

# পবিত্ৰ ভাদ মাহৰ তাৎপৰ্য: বিশ্বাস আৰু পৰম্পৰা

বন্দিতা শৰ্মা কন্দলী


অসমীয়া বাৰ মাহৰ প্ৰতিটো মাহৰেই স্বকীয় বৈশিষ্ট্য আছে। প্ৰতিটো মাহে প্ৰকৃতিৰ সৈতে একাত্ম হৈ আত্মবৈশিষ্ট প্ৰতিফলনেৰে সৌন্দৰ্য্যমণ্ডিত আৰু অসমীয়া সমাজ জীৱনত ইয়াৰ প্ৰভাৱো সুদুৰপ্ৰসাৰী। শাওন আৰু ভাদ মাহৰ সংক্ৰান্তিৰ দিনাৰে পৰা আৰম্ভ হোৱা ভাদ মাহ অসমীয়া বছৰৰ পঞ্চম টো মাহ। শৰৎ ঋতুৰ অন্তৰ্গত এই ভাদ মাহৰ ভাদ নামৰ উৎপত্তি হৈছে 'পূৰ্বভাদ্ৰপদ' নামৰ নক্ষত্ৰৰ পৰা। অসমীয়া কৃষিজীৱি মানুহে ভাদ মাহত কৃষি কৰ্মৰ পৰা আহৰি পায়। এই মাহৰ ৰোহিনী নক্ষত্ৰৰ অষ্টমী তিথিত পৰম ব্ৰহ্ম ভগৱান শ্ৰীকৃষ্ণৰ আবিৰ্ভাৱ হৈছিল। শ্ৰীকৃষ্ণৰ আবিৰ্ভাৱৰ সময়ত এক উজ্জ্বল জ্যোতিয়ে প্ৰকৃতিৰ ৰূপ অতুলনীয় কৰি তুলিছিল। কৃষ্ণ লীলাই সকলোৰে হৃদয়ত স্থান লৈছিল। তেওঁক আৱৰ্ত কৰিয়েই গঢ় লৈ উঠিছিল নৱ বৈষ্ণৱ ধৰ্ম আৰু অসমীয়া সংস্কৃতিৰ এটি নৱযুগ। অসমত নৱবৈষ্ণৱ ধৰ্ম বা একশৰণ নামধৰ্মৰ বীজ ৰোপণ কৰিছিল শ্ৰীমন্ত শংকৰদেৱে। তেখেতৰ এই ৰসময়ী ভক্তিময়ী ধাৰাই অসমীয়া সমাজ জীৱনক সুপ্ৰতিষ্ঠিত কৰি বৰ্ণ ভেদা-ভেদ নিৰ্মুল কৰি সুশৃংখল ৰূপে গঢ়ি তুলিবলৈ প্ৰতিষ্ঠা কৰিছিল সত্ৰ আৰু নামঘৰ। ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত জগতগুৰু



মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ লগতে তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰো তিৰোধান তিথি। এই পবিত্ৰ মাহতেই বৈষ্ণৱ গুৰু শ্ৰীহৰিদেৱৰো আবিৰ্ভাৱ হৈছিল। সেয়ে এই ভাদ মাহ অসমীয়া লোকসমাজৰ অতি পবিত্ৰ মাহ। অসমৰ প্ৰতিখন সত্ৰ, নামঘৰতে এই গোটেই মাহ ধৰি চলি থাকে হৰি নামৰ শ্ৰৱণ কীৰ্তন আৰু স্মৰণ। জন বিশ্বাস মতে এই শ্ৰৱণ কীৰ্তন আৰু স্মৰণ ৰ জৰিয়তেই লাভ কৰিব পাৰে বৈকুণ্ঠ। আয়তিৰ নাম প্ৰসংগৰে মুখৰিত হৈ থাকে নামঘৰৰ মজিয়া। ভাদ মাহৰ অষ্টমী তিথিত অতি উলহ মালহ আৰু ভক্তিভাৱেৰে ভগৱান শ্ৰীকৃষ্ণৰ জন্ম তিথি জন্মাষ্টমী পালন কৰা হয়। জন্মাষ্টমী ৰ পাছদিনা নন্দোৎসৱ পতা হয়।ভাদ মাহত শ্ৰীকৃষ্ণই জন্ম লাভ কৰিছিল বাবেই এই মাহটো হিন্দু ধৰ্মাৱলম্বী লোকসকলে পবিত্ৰ মাহ হিচাপে গণ্য কৰে। সেয়ে ভক্তপ্ৰাণ লোকে পৰিয়ালৰ মংগল কামনাৰে এই মাহতে মাহ-প্ৰসাদ, ফল-মূল আদিৰে শৰাই আগবঢ়াই সেৱা জনাই আশীবাদ লয়। গুৰুজনাৰ অৱদান নাম-কীৰ্তনৰ ধ্বনিয়ে সকলোৰে মনলৈ ভক্তি ভাৱ আনে। সেয়ে ভাদ মাহ এটা পবিত্ৰ পুণ্যৰ মাহ। ভাদ মাহৰ লগত অসমীয়া সংস্কৃতিৰ বহু লোক বিশ্বাস বা লোকাচাৰ জড়িত হৈ আছে। এনে এক পবিত্ৰ মাহত সন্তান জন্ম হ'লে জাতক তেজস্বী, ধনবান হয় বুলি বিশ্বাস কৰে। আকৌ ভাদ মাহত কোনো লোকৰ মৃত্যু হ'লে পৰিয়ালৰ বাবে অমংগল বুলি ভৱা হয়। ভাদ মাহত ক'লা ৰঙৰ গৰুৱে পোৱালি জন্ম দিলে অশুভ বুলি ভাৱি হোম - যজ্ঞ কৰে । সেই গৰুৰ গাখীৰ কোনো শুভ কামত ব্যৱহাৰ নকৰে। এই মাহত বিয়া-বাৰু নাপাতে। আনকি কলগছ ও নোৰোৱে। এই মাহত খাদ্য বিচাৰো মন কৰিবলগীয়া। ভাদ মাহত সৰিয়হ বটা, ওলকচু খাব লাগে। ঔ টেঙাৰ সৈতে সৰু মাছৰ জোল খালে মানুহ নিৰোগী আৰু দীৰ্ঘজীৱী হয় বুলি বিশ্বাস কৰে। তাৰোপৰি ভাদ মাহৰ প্ৰখৰ ৰ'দত বাকচৰ কাপোৰ ৰ'দত উলিয়াই দিয়ে। তেতিয়া উঁই পোক পৰুৱা আদিয়ে নষ্ট কৰাৰ ভয় নাথাকে। পৌৰাণিক আখ্যান মতে ভাদ মাহৰ শুক্লা নৱমী তিথিত মহামুনি শুকদেৱে শাপগ্ৰস্ত পৰীক্ষিত ক সাতদিন সাতৰাতি ভাগৱত পাঠ কৰি শুনাইছিল। সেয়ে অসমীয়া সমাজত অতি ভক্তিভাৱেৰে, বিশ্বাসেৰে অখণ্ড ভাগৱত পাঠ বৰ্তমানেও কৰা দেখা যায়। মুঠৰ ওপৰত ভাদ মাহৰ তাৎপৰ্য অতি গুৰুত্বপূৰ্ণ। ভাদ মাহ সোমোৱাৰ লগে লগেই মন উৰা মাৰে স্কুলীয়া দিনলৈ। আমাৰ দিনত দশম শ্ৰেণীৰ ছাত্ৰ — ছাত্ৰীসকলে বাছ ভাড়া কৰি ভাদ মাহত বৰ নামঘৰলৈ যোৱাতো নিয়ম আছিল। পৰীক্ষাত ভাল ফল পাবলৈ আশিস বিচাৰি যোৱা হয় যদিও আধ্যাত্মিক ভাবনাৰ লগতে অনাবিল আনন্দ অনুভৱ কৰিছিলোঁ। বৰ্তমান কভিড উত্তৰ কালত এনে যাত্ৰা হ্ৰাস পাইছে যদিও এই পবিত্ৰ মাহত সত্ৰ, নামঘৰ হৰিনামৰ ধ্বনি, হাত চাপৰিৰে মুখৰিত হৈ থাকে। এনে হৰি ভক্তি আৰু হৰি নামৰ শ্ৰৱণ কীৰ্তন আৰু স্মৰণে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে একত্ৰিত হৈ থকাৰ সংকল্প লওঁ আহক।

# শিক্ষক

সংযুক্তা দত্ত



গুৰু সেই জন যিয়ে জীয়াই
থাকিবলৈ শিকায়। নিজক
নিজৰ লগত চিনাকি কৰাই
দিয়ে
গঢ়ি দিয়ে হীৰাৰ নিচিনাকে
তোমাক ।
পৃথিৱী খনৰ লগত খোজ
দিবলৈ শিকায়।
সঁচা আৰু মিছাৰ লগত চিনাকি
কৰাই দিয়ে
সদায় শুদ্ধ পথ দেখুৱাই যায়।
তোমাক এজন ভাল মানুহ কৰি
তোলে। সমস্যাৰ লগত যুঁজি
আগবাঢ়ি যোৱা তুমি । তোমাক
সিমানখিনি বুজিব পৰা কৰি
তোলে ।কয় তোমাক
জিকিলে সকলো নহয়, হাৰি
পেলাই জিকাৰ গুণ শিকায়।
গুৰু সেই জনে যিয়ে জীয়াই
থাকিবলৈ শিকায় নিজক
নিজৰ লগত চিনাকি কৰাই
দিয়ে ।

# অবাঞ্চিত

সংগীতা গোস্বামী



শীতল পৰশ লগা ৰূপালী খাৰু ডাল পিন্ধি তেওঁ নিজে গঢ়া
পাহাৰটোলৈ ঘূৰি চালে। তাতে তাইক সকলোৰে লক্ষ্য কৰিলে শুকুলা
দলিচাত শান্তিৰ সুখনিদ্ৰাত।
খাকী বৰণৰ বাহনখনত বহোতে তেওঁৰ চকুত দোলা দি থাকিল
পৰকীয়া দৃশ্যটো।
ৰূপম চলীহাই চাহত থকা চিৰশান্তিৰ ঔষধটোৰ গোন্ধটো ঠিকেই ধৰিব
পাৰিলে।

# সামুদ্ৰিক ঘূৰ্ণি ইডাৰ ফলত আমেৰিকাত বানসদৃশ পৰিস্থিতি

বাৰ্তাসেৱা- সামুদ্ৰিক ঘূৰ্ণি ইডাই পৰিস্থিতিৰ সৃষ্টি হৈছে। বতৰ বিজ্ঞান আমেৰিকাত ক্ষয়-ক্ষতি কৰিছে। কেন্দ্ৰই প্ৰকাশ কৰা আগজাননী অনুসৰি সামুদ্ৰিক ঘূৰ্ণি ইডাই প্ৰথমতে নিউয়ৰ্কত বৃষ্টিপাতে ৪০০ বছৰৰ আমেৰিকাৰ লুইছিয়ানা চহৰত খুন্দা অভিলেখ ভংগ কৰাৰ সম্ভাৱনা আছে। মৰাৰ পাছত সম্প্ৰতি নিউয়ৰ্ক, নিউ নিউয়ৰ্কৰ ইতিহাসত প্ৰথমবাৰলৈ জাৰ্ছি, ফিলাডেলফিয়া লগতে উত্তৰ জৰুৰীকালীন অৱস্থা বলৱৎ কৰা আমেৰিকাৰ কেইবাখনো প্ৰদেশত হৈছে। নিউ জাৰ্ছিত বানসদৃশৰ বিধ্বংসী ৰূপ লৈছে। সামুদ্ৰিক ঘূৰ্ণি পৰিস্থিতিৰ বাবে ১৪জন লোকৰ মৃত্যু ইডাৰ ফলত দেশখনত বানসদৃশ হৈছে।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃ সম্পাদকঃ শ্ৰী ধীৰেণ ভট্টাচাৰ্য্য সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286